**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

----------------------

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত কালি ৰাজ্যবাসীৰ সৰ্বাংগীন কল্যাণৰ হকে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি প্ৰাদেশীকিকৰণৰ আওতাৰ পৰা বাদ পৰি ৰোৱা ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা বিদ্যালয়সমূহৰ প্ৰাদেশীকিকৰণৰ বাবে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নেতৃত্বত মন্ত্ৰী কেশৱ মহন্ত আৰু জয়ন্ত মল্লবৰুৱাক লৈ এখন কেবিনেট উপ-সমিতি গঠন কৰা হয়। এই উপ-সমিতিয়ে এমাহৰ ভিতৰত প্ৰাদেশীকিকৰণ সন্দৰ্ভত কেবিনেটত প্ৰতিবেদন দাখিল কৰিব। অংগনবাড়ী কৰ্মী, সহায়িকা, আশা কৰ্মী আৰু মধ্যাহ্ন ভোজনৰ কৰ্মীসকলৰ বেতন বৃদ্ধিৰ বিষয়টো পৰ্যালোচনা কৰাৰ বাবে বিত্ত মন্ত্ৰী অজন্তা নেওগৰ নেতৃত্বত আন এখন কেবিনেট উপ-সমিতি গঠন কৰা হয়। ৰাজ্যিক কেবিনেটে ডিব্ৰুগড় জিলাৰ প্ৰস্তাৱিত দেওখালী বনভূমিক ৰাজহ গাঁৱলৈ পৰিণত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি এই বনভূমিত দীৰ্ঘ সময় ধৰি বসবাস কৰি থকা লোকসকলক মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। যোৰহাট আৰু ডিব্ৰুগড় জিলাত দুগ্ধ সংশোধন আৰু সংশাধনৰ বাবে ১৫০ কোটি টকা ব্যয়ৰে দুটা কেন্দ্ৰ স্থাপনত কেবিনেটে অনুমোদন দিয়ে। কেবিনেটে লগতে ধেমাজি আৰু কাছাৰতো দুটা গাখীৰ সংশোধন কৰিব পৰা কেন্দ্ৰ স্থাপন কৰিবলৈ দুগ্ধ উন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি দুগ্ধ উৎপাদকসকলৰ আয় বৃদ্ধিত অৰিহণা যোগাবলৈ দুগ্ধ সমবায় সমিতিৰ জৰিয়তে উৎপাদিত সামগ্ৰী বিক্ৰী কৰা দুগ্ধ উৎপাদকসকলক প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে প্ৰতি লিটাৰত ৫ টকাকৈ ৰাজ সাহায্য প্ৰদানৰ আঁচনিত অনুমোদন জনোৱা হয়। চাহ পৰ্যটনৰ প্ৰসাৰৰ ক্ষেত্ৰতো কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচা আৰু শোণিতপুৰৰ দুৰুং চাহ বাগিচা চাহ পৰ্যটন প্ৰকল্প গঢ়ি তোলাৰ বাবে কেবিনেটে অনুমোদন জনাইছে।

০০০০০০

আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ কালি কাজিৰঙাত অনুষ্ঠিত দ্বিতীয়খন বৈঠকত এহেজাৰ ৪০০ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষে অসম তথা দেশৰ আভ্যন্তৰীণ জলপথ পৰিবহণ খণ্ডৰ কেইবাটাও নতুন প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত সমগ্ৰ দেশতে আভ্যন্তৰীণ জলপথৰ বিকাশৰ বাবে অহা ৫ বছৰত ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ কথা ঘোষণা কৰা হয়। তদুপৰি উপকূলীয় অঞ্চলৰ বিকাশৰ সৈতে সংগতি ৰাখি নদীকেন্দ্ৰীক লোকৰ সামূহিক উন্নয়ন প্ৰকল্প, গুৱাহাটীকে ধৰি দেশৰ ১৫ খন চহৰত ৱাটাৰ মেট্ৰ' প্ৰকল্প, সকলো জলপথৰ বাবে কাৰ্গো প্ৰচাৰ-প্ৰসাৰ আঁচনি আৰু এহেজাৰখন জাহাজক সেউজ জাহাজলৈ ৰূপান্তৰৰ কথা ঘোষণা কৰা হয়। অসমৰ আভ্যন্তৰীণ জলপথ খণ্ডৰ বিকাশৰ বাবে এই বৈঠকত পাণ্ডু জাহাজ মেৰামতি কেন্দ্ৰৰ পৰা পাণ্ডু বন্দৰলৈ সংযোগী পথ, ১৬ নম্বৰ অৰ্থাৎ বৰাক আৰু দুই নম্বৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় জলপথত চলাচলৰ বাবে ১২ খন জাহাজ ক্ৰয়, বৰাক নদীৰ বাবে এখন জৰীপ জাহাজ ক্ৰয় আদি বিভিন্ন ঘোষণা কৰা হয়। বৈঠকত লগতে জাহাজ আৰু কৰ্মচাৰী পঞ্জীয়নৰ বাবে ডিজিটেল ইণ্ডিয়া নামৰ কেন্দ্ৰীয় তথ্য সমৃদ্ধ এটা

প'ৰ্টেল মুকলি কৰা হয়। তদুপৰি ডিব্ৰুগড়ৰ ঐতিহ্য ভৱনৰ পুনৰ্নিৰ্মাণ, আঞ্চলিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন, ৰাজ্যৰ চাৰিটা স্থানত পৰ্যটন টাৰ্মিনেলৰ বিকাশ আদি আন কেইবাটাও প্ৰকল্পত অনুমোদন দিয়া হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে বিগত ১০ বছৰত ৰাষ্ট্ৰীয় জলপথসমূহৰ যোগেদি দেশৰ যাতায়াত ব্যৱস্থা উন্নত কৰি তোলা হৈছে।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি ডিব্ৰুগড়ত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ কাম-কাজ সবিস্তাৰে পৰ্যালোচনা কৰে। এই পৰ্যালোচনা বৈঠকত জিলাকেইখনৰ আয়ুক্তসকলৰ উপৰি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী শ্ৰীসিংহলে জিলাকেইখনৰ সকলো স্বাস্থ্যসূচক আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ বুজ লোৱাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিৰ বুজ লয়। বৈঠকত মূলতঃ প্ৰসূতিৰ মৃত্যুৰ অনুপাত, নৱজাতকৰ মৃত্যুৰ হাৰ, ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যক্ৰম আৰু ৩০ বছৰ ঊৰ্ধৰ লোকৰ অসংক্ৰামক ৰোগৰ পৰীক্ষণৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সকলো নাগৰিকৰ বাবে গুণগত, সুলভ আৰু সময় উপযোগী চিকিৎসা তথা সামগ্ৰিক সুস্থতা সুনিশ্চিত কৰাৰ বাবে বিষয়াসকলক নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ মজুৰীৰ ক্ষতিপূৰণ আঁচনিৰ নিখুঁত ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত জিলা আয়ুক্তসকলক প্ৰত্যক্ষভাৱে বিষয়টো নিৰীক্ষণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০

শিৱসাগৰ জিলা আয়ুক্তই জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত লালিগুৰ বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। অৱশ্যে জিলা দণ্ডাধীশ, অতিৰিক্ত জিলা দণ্ডাধীশ আৰু পশু চিকিৎসা বিষয়াৰ পূৰ্বৰ অনুমতি সাপেক্ষে পশু খাদ্যৰ বাবে লালিগুৰ ক্ৰয় কৰিব পাৰিব। এই নিৰ্দেশনা অহা দুমাহলৈ বাহাল থাকিব। কোনো ব্যক্তিয়ে এই নিৰ্দেশনা উলংঘা কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি জিলা আয়ুক্তই প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০০

সমাপ্ত